# 2016

# ECONOMICS

**Full Marks : 100**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

## PART-A : STATISTICS FOR ECONOMICS

## ক-অংশ ঃ অৰ্থনীতিৰ বাবে পৰিসংখ্যা

1. (a) Statistics deals with only quantitative data. *(True/False)* 1

পৰিসংখ্যা বিজ্ঞানে কেৱল সংখ্যাগত তথ্যহে বিচাৰ কৰে। *(শুদ্ধ/অশুদ্ধ)*

(b) What do you mean by statistical enquiry? 1

পৰিসাংখ্যিকীয় অনুসন্ধান বুলিলে কি বুজা?

(c) What is primary data? 1

প্ৰাথমিক তথ্য কি?

(d) Find out mode from the following data : 1

তলৰ তথ্যৰ পৰা বহুলক নিৰ্ণয় কৰা ঃ

2, 3, 5, 2, 2, 7, 5, 2

(e) What do you mean by zero correlation? 1

শূন্য সহসম্বন্ধ বুলিলে কি বুজা?

(f) What is a project? 1

প্ৰকল্প কি?

2. Write *two* importance of the study of statistics in economics. 2

অৰ্থবিজ্ঞানত পৰিসংখ্যা বিজ্ঞান অধ্যয়নৰ *দুটা* গুৰুত্ব লিখা।

**OR / *অথবা***

What do you mean by economic and non-economic activities?

অৰ্থনৈতিক আৰু অনা-অৰ্থনৈতিক কাম-কাজ বুলিলে কি বুজা?

3. State *two* advantages of classification of data. 2

তথ্য শ্ৰেণীকৰণৰ *দুটা* সুবিধা লিখা।

4. Mention *two* sources of secondary data. 2

গৌণ তথ্যৰ *দুটা* উৎস উল্লেখ কৰা।

5. What is arithmetic mean? Write its *one* advantage. 2

সমান্তৰ মাধ্য কি? ইয়াৰ *এটা* সুবিধা লিখা।

6. What is range? Calculate range from the following data : 2

পৰিসৰ কি? তলৰ তথ্যৰ পৰা পৰিসৰ নিৰ্ণয় কৰা ঃ

46 57 28 65 85 61 58

7. What do you mean by consumer price index number? 2

গ্ৰাহক মূল্য সূচকাংক বুলিলে কি বুজা?

8. State *four* characteristics of a good average. 4

এটা আদৰ্শ গড়ৰ *চাৰিটা* বৈশিষ্ট্য লিখা।

9. Find out mean deviation from the following data : 2+2=4

তলৰ তথ্যৰ পৰা গড় বিচ্যুতি নিৰ্ণয় কৰা ঃ

25 20 18 15 23 17 24

**OR / *অথবা***

State *two* merits and *two* demerits of standard deviation.

মানক বিচলনৰ *দুটা* গুণ আৰু *দুটা* দোষ লিখা।

10. What do you mean by positive and negative correlation? Write *two* characteristics of co-efficient of correlation. 2+2=4

ধনাত্মক আৰু ঋণাত্মক সহসম্বন্ধ বুলিলে কি বুজা? সহসম্বন্ধ গুণাংকৰ *দুটা* বৈশিষ্ট্য লিখা।

11. State *two* uses and *two* limitations of index number. 2+2=4

সূচক সংখ্যাৰ *দুটা* ব্যৱহাৰ আৰু *দুটা* সীমাবদ্ধতা লিখা।

**OR / অথবা**

Calculate price relatives from the following data taking 2010 as the base year :

2010 চনক ভিত্তিবৰ্ষ হিচাবে লৈ তলত দিয়া তথ্যৰ পৰা আপেক্ষিক দৰ নিৰ্ণয় কৰা ঃ

| | | | | |
|---|---|---|---|---|
| Year বছৰ : | 2010 | 2011 | 2012 | 2013 |
| Price দৰ : | 70 | 85 | 35 | 20 |

12. Mention the steps in preparing a project. 4

এটা প্ৰকল্প গঢ়ি তোলাৰ পদক্ষেপসমূহ উল্লেখ কৰা।

13. State an advantage of a diagram. Point out a difference between diagram and graph. Expenditure of a family in different heads in a year is as follows : 1+1+4=6

চিত্ৰৰ এটা সুবিধা লিখা। চিত্ৰ আৰু লেখৰ এটা পাৰ্থক্য আঙুলিয়াই দিয়া। এটা পৰিয়ালৰ এবছৰত বিভিন্ন শিতানত হোৱা খৰচ তলত দিয়া ধৰণৰ ঃ

| Heads of Expenditure খৰচৰ শিতান | Expenditure (in Rs) খৰচ (টকাত) |
|---|---|
| Food খাদ্য | 200 |
| Clothes কাপোৰ | 120 |
| House rent খাজনা | 150 |
| Electricity বিদ্যুৎ | 30 |
| Miscellaneous অন্যান্য | 100 |

Represent the above data with the help of a pie-diagram.

ওপৰৰ তথ্য এটা পাইচিত্ৰৰ সহায়ত প্ৰকাশ কৰা।

**OR / অথবা**

What is sampling? Discuss sampling and non-sampling errors.

প্ৰতিচয়ন কি? প্ৰতিচয়ন আৰু অ-প্ৰতিচয়ন ক্ৰুটিসমূহ আলোচনা কৰা।

14. Calculate quartile deviation from the following data : 1+5=6

তলৰ তথ্যৰ পৰা চতুৰ্থক বিচ্যুতি নিৰূপণ কৰা ঃ

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| Roll No. ৰোল নং : | 1 | 2 | 3 | 4 | 5 | 6 | 7 |
| Marks নম্বৰ : | 20 | 28 | 40 | 12 | 30 | 15 | 50 |

**OR / অথবা**

What is index number? Discuss the steps in constructing index number.

সূচক সংখ্যা কি? সূচক সংখ্যা গঠনৰ পদক্ষেপসমূহ আলোচনা কৰা।

## PART-B : INDIAN ECONOMIC DEVELOPMENT

## খ-অংশ ঃ ভাৰতীয় অৰ্থনৈতিক উন্নয়ন

15. *(a)* Define Planning. 1

পৰিকল্পনাৰ সংজ্ঞা দিয়া।

*(b)* What was the main source of livelihood in India at the pre-independence period? 1

প্ৰাক্-স্বাধীনতাৰ সময়ত ভাৰতবৰ্ষত জীৱিকাৰ প্ৰধান উৎস কি আছিল?

*(c)* What do you mean by seasonal unemployment? 1

ঋতুজনিত নিবনুৱা বুলিলে কি বুজা?

(d) Name a financial institution that supplies industrial finance in India. 1

ভাৰতবৰ্ষত ঔদ্যোগিক বিত্ত যোগান ধৰা এটা বিত্তীয় অনুষ্ঠানৰ নাম লিখা।

(e) What is environment? 1

পৰিৱেশ কি?

(f) When was the First Five-year Plan commenced in India? 1

ভাৰতবৰ্ষত প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা কেতিয়া আৰম্ভ হৈছিল?

16. What is mixed economy? Do you think that it is fruitful to an under-developed country? 2

মিশ্ৰ অৰ্থনীতি কি? এখন অনুন্নত দেশৰ বাবে ই ফলদায়ক বুলি তুমি ভাবানে?

17. Name *two* employment generation programmes adopted by the Government of India. 2

ভাৰত চৰকাৰে গ্ৰহণ কৰা *দুখন* নিয়োগ সৃষ্টি আঁচনিৰ নাম লিখা।

18. Give *two* arguments for new economic reforms. 2

নতুন অৰ্থনৈতিক সংস্কাৰৰ সপক্ষে *দুটা* যুক্তি দিয়া।

19. Give *two* arguments against privatisation. 2

ব্যক্তিগতকৰণৰ বিৰুদ্ধে *দুটা* যুক্তি দিয়া।

20. Write *two* causes of rapid growth of population in India. 2

ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধিৰ হাৰ দ্ৰুত হোৱাৰ *দুটা* কাৰণ লিখা।

21. Give *two* examples of non-renewable resource. 2

অ-নবীকৰণযোগ্য সম্পদৰ *দুটা* উদাহৰণ দিয়া।

22. State *four* problems of human capital formation in India. 4

ভাৰতত মানৱ মূলধন গঠনৰ *চাৰিটা* সমস্যা লিখা।

**OR / *অথবা***

Discuss the role of education in economic development of a community.

এটা জাতিৰ অৰ্থনৈতিক উন্নয়নত শিক্ষাৰ ভূমিকা আলোচনা কৰা।

23. State *two* advantages and *two* disadvantages of liberalisation. 2+2=4

উদাৰীকৰণৰ *দুটা* সুবিধা আৰু *দুটা* অসুবিধা লিখা।

24. What do you mean by rural development? Mention *two* subjects related to rural development. 2+2=4

গ্ৰাম্য উন্নয়ন বুলিলে কি বুজা? গ্ৰাম্য উন্নয়নৰ লগত জড়িত *দুটা* বিষয় উল্লেখ কৰা।

**OR / *অথবা***

Mention *four* causes of environmental polution.

পৰিৱেশ প্ৰদূষণৰ *চাৰিটা* কাৰণ উল্লেখ কৰা।

25. Write *two* causes of poverty in India. Suggest *two* measures to remove poverty in India. 2+2=4

ভাৰতবৰ্ষত দৰিদ্ৰতাৰ *দুটা* কাৰণ লিখা। ভাৰতবৰ্ষত দৰিদ্ৰতা দূৰিকৰণৰ বাবে *দুটা* পৰামৰ্শ আগবঢ়োৱা।

26. Point out *four* indicators of human development of a country. 4

কোনো এখন দেশৰ মানৱ উন্নয়নৰ *চাৰিটা* নিৰ্দেশক দেখুৱাই দিয়া।

27. Discuss the role of agriculture in economic development of India. 6

ভাৰতবৰ্ষৰ অৰ্থনৈতিক উন্নয়নত কৃষিৰ ভূমিকা আলোচনা কৰা।

**OR / অথবা**

Discuss thc common objectives of five-year planning of India.

ভাৰতবৰ্ষৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ উমৈহতীয়া উদ্দেশ্যসমূহ আলোচনা কৰা।

28. Discuss the non-institutional sources which supply rural credit in India. 6

ভাৰতবৰ্ষত গ্ৰাম্য ঋণ যোগান ধৰা অনানুষ্ঠানিক উৎসসমূহ আলোচনা কৰা।

**OR / অথবা**

Discuss the relevance of infrastructure in developing the socio-economic aspects of a country.

এখন দেশৰ আৰ্থ-সামাজিক দিশৰ উন্নয়নৰ বাবে আন্তঃগাঁথনিৰ প্ৰাসংগিকতা আলোচনা কৰা।

——×——